**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 29-12-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ এঘাৰ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

২। ইছৰোই বাহ্যিক সাহায্য অবিহনে মহাকাশতে দুটা কৃত্ৰিম উপগ্ৰহক সংযুক্ত কৰাৰ সামৰ্থ্য প্ৰদৰ্শনৰ উদ্দেশ্যে কাইলৈ ৰূপায়ণ কৰিবলগীয়া স্পেদেক্স সম্পৰীক্ষাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

৩। কংগ্ৰেছে প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ মৃত্যুক লৈ ৰাজনীতি কৰা বুলি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই তুলিছে।

৪। ভাৰতে মেলবৰ্ন টেষ্টত প্ৰথম ইনিংছত ৩৬৯ ৰান সংগ্ৰহ কৰিছে।

**আৰু**

৫। ৰুৰকেল্লাত যোৱা নিশা অনুষ্ঠিত হকী ইণ্ডিয়া লীগৰ প্ৰথমখন খেলত দিল্লী এছ জি পাইপাৰ্ছে গোনাছিকাক পেনাল্টি শ্বুট আউটৰ সহায়ত ৪-২ গলৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ এঘাৰ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৰছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোই বাহ্যিক সাহায্য অবিহনে মহাকাশতে দুটা কৃত্ৰিম উপগ্ৰহক সংযুক্ত কৰাৰ সামৰ্থ্য প্ৰদৰ্শনৰ উদ্দেশ্যে কাইলৈ ৰূপায়ণ কৰিবলগীয়া স্পেদেক্স সম্পৰীক্ষাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। মহাকাশ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কালি এটা সাক্ষাৎকাৰত কয়, যে বছৰৰ শেষভাগৰ

ইছৰোৰ এই অভিযান সঁচাকৈ ঐতিহাসিক, কাৰণ ইয়াৰ জৰিয়তে দুটাকৈ কৃত্ৰিম উপগ্ৰহক সংযুক্ত কৰা হ'ব। এই অভিযানেৰে দুটা কৃত্ৰিম উপগ্ৰহৰ মাজত যোগসূত্ৰ স্থাপন কৰা বছা বছা দেশৰ মাজত ভাৰতৰ নামো অন্তৰ্ভুক্ত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই অভিযানৰ অধীনত পি এছ এল ভি ৰকেটৰ সহায়ত থলুৱা ভাৰতীয় দকিং প্ৰণালীৰে সু-সজ্জিত দুটা কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণ কৰা হ'ব।

ooooo

কংগ্ৰেছে প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ মৃত্যুক লৈ ৰাজনীতি কৰা বুলি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই তুলিছে। শ্ৰী নাড্ডাই কালি এটা বিবৃতি যোগে কয়, যে কংগ্ৰেছে ৰাজনৈতিক মুনাফাৰ বাবে ড০ মনমোহন সিঙৰ নাম ব্যৱহাৰ কৰি আছে।

সভাপতিগৰাকীয়ে কয়, যে এন ডি এ চৰকাৰে দেশৰ সকলো প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে প্ৰধানমন্ত্ৰী সংগ্ৰহালয় স্থাপন কৰিছে। তেওঁ লগতে কংগ্ৰেছে অকল নিজৰ পৰিয়ালৰ সদস্যসকলৰ বাবে স্মাৰক নিৰ্মাণ কৰাত গুৰুত্ব আৰোপ কৰি আহিছে বুলি অভিযোগ তোলে।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়লাভ কৰা ডনাল্ড ট্ৰাম্পে ৰাজনৈতিক প্ৰস্তাৱৰ ওপৰত তেওঁ কাম কৰি থকালৈকে উচ্চতম ন্যায়ালয়ক টিকটকৰ নিষেধাজ্ঞা পিছুৱাই দিবলৈ কয়। তেওঁৰ অধিবক্তাই আদালতত এই বিষয়ে আবেদন দাখিল কৰি কয়, যে ট্ৰাম্পে টিকটক নিষিদ্ধ কৰাৰ বিৰোধিতা কৰিছে  আৰু কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত বিভিন্ন সমস্যাসমূহ ৰাজনৈতিক মাধ্যমেৰে সমাধান কৰিব বিচাৰে। অহা ১৩ জানুৱাৰীত আদালতে আমেৰিকাৰ এনে এখন আইন সন্দৰ্ভত শুনানি গ্ৰহণ কৰিব য'ত টিকটকৰ চীনা মালিক বাইটডান্সে সামাজিক মাধ্যমৰ কোম্পানীটো আমেৰিকাৰ কোনো প্ৰতিষ্ঠানক বিক্ৰী কৰিব লাগিব অথবা ট্ৰাম্পে কাৰ্যভাৰ গ্ৰহণ কৰাৰ এদিন পূৰ্বে ১৯ জানুৱাৰীত নিষেধাজ্ঞাৰ সন্মুখীন হ'ব লাগিব। উল্লেখযোগ্য যে, আমেৰিকাৰ বিষয়া আৰু নীতি নিৰ্ধাৰকসকলে বাইটডান্সক চীনা চৰকাৰৰ সৈতে জড়িত বুলি উত্থাপিত অভিযোগ অস্বীকাৰ কৰিছে।

ooooo

উচ্চতম ন্যায়ালয়ে পঞ্জাব চৰকাৰক আমৰণ অনশন কৰি থকা কৃষক নেতা জগজিৎ সিং ডালেৱালক চিকিৎসালয়ত ভৰ্তি কৰোৱাত অসমৰ্থ হোৱা বাবে গৰিহণা দিছে। শ্ৰী ডালেৱালে পঞ্জাব-হাৰিয়ানা সীমান্তৰ খানাউৰীত শস্যৰ বাবে ন্যূনতম সমৰ্থন মূলৰ আইনী নিশ্চয়তা, ঋণ মাফ, কৃষি সংস্কাৰকে ধৰি দীৰ্ঘদিনৰ পৰা চলি থকা কৃষকসকলৰ দাবীৰ সমৰ্থনত আমৰণ অনশন কৰি আছে। ন্যায়াধীশ সূৰ্যকান্তৰ নেতৃত্বত এখন বিচাৰপীঠে পঞ্জাবৰ মহাধিবক্তা গুৰমিন্দৰ সিঙক আদালতৰ পূৰ্বৰ নিৰ্দেশ মানি চলিবলৈ কয়, য'ত ডালেৱালৰ স্বাস্থ্য সুস্থিৰ হৈ থকাটো নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়া হৈছে। যোৱা ২০ ডিচেম্বৰত উচ্চতম ন্যায়ালয়ে পঞ্জাব চৰকাৰক ডালেৱালৰ স্বাস্থ্যৰ বিষয়টো নিশ্চিত কৰিবলৈ আৰু প্ৰয়োজন হ'লে চিকিৎসালয়ত ভৰ্তি কৰিবলৈ নিৰ্দেশ দিছিল।

ooooo

বিদেশী পৰ্যটকৰ আগমনৰ ক্ষেত্ৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পাছতে অসমৰ পৰ্যটন মানচিত্ৰত নামেৰী ৰাষ্ট্ৰীয় উদ্যানে দ্বিতীয় স্থান দখল কৰিছে। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰতো ২০২২-২৩ চনৰ ১৪ লাখ আৰু ২০২৩-২৪ বিত্তীয়

বৰ্ষত ২৭ লাখ টকাৰ বিপৰীতে চলিত বৰ্ষত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ৰাজহ সংগ্ৰহৰ লক্ষ্য ৪২ লাখ টকা স্থিৰ কৰিছে। অসম-অৰুণাচল প্ৰদেশ সীমান্তত অৱস্থিত ৰাষ্ট্ৰীয় উদ্যানখন জৈৱ বৈচিত্ৰৰে ভৰপূৰ। ৰাজ্যিক পক্ষী দেওহাহ, ধণেশ, বনৰীয়া হাতী, ৰাষ্ট্ৰীয় পশু ঢেকিয়াপতিয়া বাঘ, ইত্যাদি প্ৰাণীকূলৰ উপৰিও ৰাষ্ট্ৰীয় উদ্যানখনত বিভিন্ন প্ৰজাতিৰ অৰ্কিড দেখিবলৈ পোৱা যায়। পৰ্যটকৰ বাবে উদ্যান কৰ্তৃপক্ষই নতুনকৈ এটা ট্ৰেকিং পথ সাজু কৰিছে বুলি জানিবলৈ দিছে। ২০২৫ চনৰ জানুৱাৰী মাহত এই পথটো পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। দেশী-বিদেশী পৰিভ্ৰমী চৰাই চাবলৈ জানুৱাৰী মাহৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনত বিদেশী পৰ্যটকৰ সমাগম ঘটে বুলি উদ্যান কৰ্তৃপক্ষই অৱগত কৰিছে।

০০০০০

৪৪ নম্বৰ জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন অংশত বৰফ জমা হোৱাৰ ফলত পিছল হৈ পৰাৰ বাবে ঘাইপথটো যাতায়াতৰ বাবে বন্ধ কৰি দিয়া হৈছে। যান বাহন বিভাগৰ মুখপাত্ৰই ঘাইপথটো দুয়ো দিশৰ পৰা বন্ধ কৰি দিয়া হৈছে বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে ঘাইপথটোৰ কোৱাজিগুণ্ড এলেকাত বিপুল পৰিমাণৰ বৰফ জমা হৈছে আৰু যন্ত্ৰসহায়ত ইতিমধ্যে অধিকাংশ বৰফ আঁতৰোৱা হৈছে। বতৰ ভাল নোহোৱালৈকে আৰু ৰাস্তাৰ ওপৰত জমা হোৱা বৰফ প্ৰাকৃতিকভাৱে নগলালৈকে ঘাইপথটোৰে যানবাহনৰ চলাচল সম্ভৱ নহয় বুলিও তেওঁ উল্লেখ কৰিছে।

০০০০০

দবা চেম্পিয়ন ডি গুকেশে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। এই সাক্ষাৎৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যম যোগে গুকেশৰ একাগ্ৰতা আৰু নিস্থাৰ শলাগ লৈ কয়, যে খেলুৱৈগৰাকীৰ আত্মবিশ্বাস সঁচাকৈ প্ৰেৰণাদায়ক। তেওঁ কয়, যে গুকেশে নিজা প্ৰচেষ্টাৰ বাবেই সবাতোকৈ কম বয়সৰ বিশ্ব চেম্পিয়নৰ খিতাপ অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে গুকেশৰ সৈতে হোৱা কথোপকথনত যোগাভ্যাস আৰু ধ্যানৰ ৰূপান্তৰকাৰী সম্ভাৱনাৰ বিষয়টোৱে স্থান লাভ কৰে। খেলুৱৈগৰাকীৰ পিতৃ-মাতৃক তেওঁলোকৰ অভূতপূৰ্ব সমৰ্থনৰ বাবে প্ৰশংসা কৰি শ্ৰী মোদীয়ে কয়, যে অভিভাৱকসকলে প্ৰতিগৰাকী এথলিটৰ সাফল্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

০০০০০

অষ্ট্ৰেলিয়াই ভাৰতৰ বিৰুদ্ধে মেলবৰ্ণত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন টেষ্টৰ আজি চতুৰ্থ দিনা আমালৈ বাতৰি অহা পৰালৈকে দুটা উইকেট হেৰুৱাই দ্বিতীয় ইনিংছত ৫০ ৰান সংগ্ৰহ কৰিছে। ইয়াৰ পূৰ্বে ভাৰতে ৯ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৩৫৮ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰি ৩৬৯ ৰানত ইনিংছ সামৰে। ভাৰতৰ হৈ নীতিশ কুমাৰ ৰেড্ডীয়ে ১১৪ ৰান সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ হৈ পেট কামিন্স, স্কট ব'লেণ্ড আৰু নাথন লীয়নে তিনিটাকৈ উইকেট দখল কৰে। অষ্ট্ৰেলিয়া সম্প্ৰতি ভাৰতৰ প্ৰথম ইনিংছতকৈ সামগ্ৰিকভাৱে ১৫৮ ৰানত আগবাঢ়ি আছে। শৃংখলাত বৰ্তমানলৈকে দুয়োটা দলে একোখনকৈ খেলত জয়লাভ কৰিছে।

০০০০০

ৰুৰকেল্লাত যোৱা নিশা অনুষ্ঠিত হকী ইণ্ডিয়া লীগৰ প্ৰথমখন খেলত দিল্লী এছ জি পাইপাৰ্ছে গোনাছিকাক পেনাল্টি শ্বুট আউটৰ সহায়ত ৪-২ গলৰ ব্যৱধানত পৰাস্ত কৰে। খেলখন নিৰ্ধাৰিত সময়ত ২-২ গলত অমীমাংসিত

হৈ ৰোৱাত পেনাল্টি শ্বুট আউটৰ সহায় ল'বলগীয়া হয়। প্ৰতিযোগিতাত আজি হায়দৰাবাদ তুফান্স শ্ৰাছি ৰাঢ় বেংগল টাইগাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৬ বজাত আৰম্ভ হ'ব। ইপিনে নিশা ৮ বাজিৰ ১৫ মিনিটত হ'বলগীয়া আন এখন খেলত ছুৰমা হকী ক্লাব তামিলনাডু ড্ৰেগনছৰ সন্মুখীন হ'ব।

ooooo

জামছেদপুৰ এফ চি আজি জামছেদপুৰত হ'বলগীয়া আই এছ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত কেৰালা ব্লাষ্টাৰ্ছ এফ চিৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে হায়দৰাবাদ এফ চি আৰু ইষ্ট বেংগল এফ চিৰ মাজৰ কালি হায়দৰাবাদত অনুষ্ঠিত খেলখন ১-১ গলত অমীমাংসিত হৈ ৰয়। বাংগালুৰু এফ চিয়ে চেন্নাইত অনুষ্ঠিত কালিৰ আন এখন খেলত চেন্নাইয়িন এফ চিক ৪-২ গলত পৰাস্ত কৰে।

ooooo

আন্তঃৰাষ্ট্ৰীয় দবা সংস্থা-ফিডেৰ উপাধ্যক্ষ বিশ্বনাথন আনন্দে ফিডে বিশ্ব ৰেপিড এণ্ড ব্লিজ চেম্পিয়নশ্বিপত মেগনাছ্ কাৰ্লছেনৰ নাম পুনৰ অন্তৰ্ভুক্ত কৰা বিষয়টো সন্দৰ্ভত স্পষ্টিকৰণ জাৰি কৰিছে। গ্ৰেণ্ড মাষ্টাৰ আনন্দে কয়, কাৰ্লছেনে নিউয়ৰ্কত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয় দিনা জিন্স পেণ্ট পৰিধান কৰিছিল যাৰ বাবে ২০০ ডলাৰ জৰিমনা বিহাৰ লগতে তেওঁক ড্ৰেছ কোড সলনি কৰিবলৈ উপদেশ দিয়া হৈছিল যদিও কাৰ্লছেনে প্ৰতিযোগিতাৰ ড্ৰেছ কোড পিন্ধিবলৈ অস্বীকাৰ কৰিছিল। দবা ফেডাৰেচনে কয়, যে তেওঁলোকৰ ড্ৰেছ কোডসমূহ সালিনতা আৰু পেছাদাৰিত্ব নিশ্চিত কৰিবলৈ ডিজাইন কৰা হৈছে। সেয়ে ফিডে এনে বিকল্প ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooo

সমাপ্ত